# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
--------------------

অসম বিধানসভাৰ শীতকালীন অধিৱেশন অহা ২৫ নৱেম্বৰৰ পৰা দিছপুৰত আৰম্ভ হ'ব। অহা ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। অধিৱেশনৰ আৰম্ভণিৰ দিনা বিগত অধিৱেশনৰ পৰৱৰ্তী কালত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য আৰু দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। সেইদিনাই অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

oooo

চেন্নাইৰ এখন চিকিৎসালয়ত কালি দেহাৱসান ঘটা বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ অন্ত্যেষ্টিক্ৰিয়া আজি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। শেষকৃত্যৰ সময়ত অসম চৰকাৰৰ হৈ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্ত আৰু ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক  ৰাহুল চন্দ্ৰ দাসে প্ৰয়াত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে শিল্পীগৰাকীৰ নশ্বৰদেহ আজি পুৱা বিমানেৰে অসমলৈ অনাৰ পাছত বৰঝাৰ বিমানবন্দৰত বাঁহী বাদকৰ দলে শিল্পীগৰাকীক বাঁহীৰ সুৰেৰে শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ পাছতে তেওঁৰ নশ্বৰ দেহ গুৱাহাটীৰ অম্বিকাগিৰি নগৰৰ বাসগৃহলৈ লৈ যোৱা হয়। বাসগৃহত আত্মীয়-স্বজনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ পাছত অম্বিকাগিৰি নগৰৰ সেউজ সংঘৰ বাকৰিত শিল্পীগৰাকীক ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

উল্লেখযোগ্য যে অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে তেওঁক চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত কালি পুৱা শিল্পীগৰাকীৰ মৃত্যু হয়।

নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ইনষ্ট্ৰুমেণ্টেল মিউজিক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি গৱেষণাৰ কাম আৰম্ভ কৰে। কিন্তু গৱেষণাৰ কাম তেওঁ আধাতে এৰি পৰৱৰ্তী সময়ত প্ৰখ্যাত বাঁহীবাদক হৰিপ্ৰসাদ চৌৰাচিয়াৰ তত্বাৱধানত সংগীতৰ শিক্ষা গ্ৰহণ কৰে। সেই সময়তে তেওঁ কেইবাখনো হিন্দী চলচ্চিত্ৰ সংগীতত বাঁহী বজাইছিল। পৰৱৰ্তী সময়ত দীপক শৰ্মাই জুবিন গাৰ্গৰ বহু জনপ্ৰিয় গানত বাঁহীৰ সুৰ দিছিল। কেৱল এয়াই নহয় মুম্বাইত থকাৰ সময়তে তেওঁ দক্ষিণ আফ্ৰিকালৈ বাঁহী বাদনৰ বাবে আমন্ত্ৰিত হৈছিল। ইয়াৰ পিছত তেওঁ ছুইজাৰলেণ্ড, জাৰ্মানী, পোলেণ্ড, ফ্ৰান্স আদিকে ধৰি ৪২ খন দেশত অনুষ্ঠান পৰিবেশন কৰিছিল।

আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ সংগীত পৰিচালনাও কৰিছিল। শিল্পীগৰাকীৰ বিয়োগত সাংস্কৃতিক সমাজৰ বহুজনে গভীৰ শোক প্ৰকাশ কৰিছে। বিশিষ্ট সংগীত শিল্পী তৰালী শৰ্মাই এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

বাইট

০০০

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কাইলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাৰ পৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠানৰ আয়োজন কৰা হ'ব। লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ কাৰ্যসূচীত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

**কামৰূপ** জিলাৰ জিলা সংহত কাৰ্যালয়ৰ সন্মুখত কাইলৈ বৰেণ্য শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ড০ ভূপেন হাজৰিকাৰ মৃত্যু তিথি কেন্দ্ৰীয়ভাৱে পালন কৰা হ'ব। একেদৰে কামৰূপ জিলাৰ অধীনৰ ৰঙিয়া সম-জিলা আৰু পলাশবাৰী সম-জিলাতো শিল্পীগৰাকীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

ৰাজ্যৰ আন আন ঠাইতো কাইলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে **হোজাই**ৰ শংকৰদেৱ নগৰৰ কছাৰী ময়দানত ৫ হাজাৰতকৈ অধিক শিল্পীয়ে একেলগে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব। আন ঠাইৰ লগতে **ধুবুৰী**তো জিলা প্ৰশাসনৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব।

**তিনিচুকীয়া** জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। **কাৰ্বি আংলং** জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখল কাৰ্যসূচী অনুষ্ঠিত কৰিব। সুধাকণ্ঠৰ অমৰসৃষ্টি **মানুহে মানুহৰ বাবে** গীতটিৰ পৰিৱেশনেৰে

হাওৰাঘাট আৰু বোকাজান মহকুমাৰ পৰা শিল্পী, জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত এই মানৱশৃংখল গঢ়ি তোলা হ'ব।

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগে আজি দ্বিতীয় দিনা দুগৰাকী ব্যক্তিৰ লিখিত তথ্য গ্ৰহণ কৰে। গুৰাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ চৌহদত এই আয়োগৰ সাক্ষ্য গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। প্ৰাক্তন কংগ্ৰেছ নেতা দুলু আহমেদ আৰু ব্যৱসায়ী তথা চলচ্চিত্ৰ প্ৰযোজক লুইত কুমাৰ বৰ্মনে আজি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত লিখিত তথ্য শপতনামা ৰূপত আয়োগক প্ৰদান কৰে। উল্লেখযোগ্য যে প্ৰাক্তন কংগ্ৰেছ নেতা দুলু আহমেদে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰলৈ গৈ এজাহাৰ দাখিল কৰিছিল। আয়োগত তথ্য প্ৰদানৰ পাছত সাংবাদিকৰ আগত আহমেদে এইদৰে কয়ঃ

বাইট

উল্লেখযোগ্য যে এই আয়োগে অহা ২১ নৱেম্বৰলৈ দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ এই সাক্ষ্য গ্ৰহণ কৰিব। অৱশ্যে কালি প্ৰথমদিনা আয়োগৰ সন্মুখত কোনো লোকে সাক্ষ্য প্ৰদান নকৰিলে। আয়োগে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চাৰিটা মূল বিষয়ৰ তদন্ত কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৮ ডিচেম্বৰতে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি  প্ৰকাশ কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ